# Unit : 3

# Demand for and Supply of Money

Definination and Functions of money : Quantity theory of money– cash transactions and cash balance approaches, Friedman's restatement of the quantity theory? Demand for Money Classical Neoclassical and Keynesian Approaches & Pre Keynesian, Keynesian, Friedman). The Keynesian Liquidity trap and its limitations; Determination of money supply, credit creation, Supply of Money.

## তৃতীয় অধ্যায়

# মুদ্ৰাৰ প্ৰতি চাহিদা আৰু যোগান

**মুদ্ৰাৰ সংজ্ঞা আৰু মুদ্ৰাৰ কাৰ্যাৱলী ঃ** মুদ্ৰাৰ পৰিমাণ তত্ত্ব— নগদ লেনদেন আৰু নগদ জমা পুঁজিৰ সমীকৰণ, মিল্টন ফ্ৰেডমেনৰ মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ পুনৰ ব্যাখ্যা, মুদ্ৰাৰ প্ৰতি চাহিদা-সংস্থাপিত, নব্য-সংস্থাপিত আৰু কেইন্সীয়ান ব্যাখ্যা (প্ৰাক কেইন্সীয়ান, কেইন্সীয়ান, ফ্ৰিডমেন) কেইন্সৰ তাৰল্য ফাঁক, ইয়াৰ সীমাবদ্ধতা, মুদ্ৰাৰ যোগান নিৰ্ধাৰণ, ঋণ সৃষ্টি, মুদ্ৰাৰ যোগান।

## মুদ্ৰাৰ সংজ্ঞা আৰু মুদ্ৰাৰ কাৰ্যাৱলী
## (Definiation and functions of Money)

সাধাৰণ অৰ্থত যিকোনো এটা দ্ৰব্য যেতিয়া বিনিময়ৰ মাধ্যম হিচাপে সকলোৱে গ্ৰহণ কৰে তেতিয়া তাক মুদ্ৰা বুলি কোৱা হয়। মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা সাম্প্ৰতিক কাললৈকে মানুহে নিজৰ অভাৱসমূহ পৰিপূৰ্ণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। মুদ্ৰাৰ ব্যৱহাৰৰ জৰিয়তে মানুহে দ্ৰব্য সামগ্ৰী আহৰণ আৰু অৰ্থনৈতিক কাম-কাজ পৰিচালনা কৰাৰ ব্যৱস্থাক উৎকৃষ্ট আখ্যা দিয়া হৈছে। কিন্তু মুদ্ৰাৰ ক্ৰমবিকাশৰ এক সুদীৰ্ঘ ইতিহাস আছে। মুদ্ৰা আৱিষ্কাৰ নোহোৱাৰ আগতেও মানুহৰ অৰ্থনৈতিক আৰু ব্যৱসায়িক কাম-কাজসমূহ পৰিচালিত হৈছিল। সেই তেতিয়া দ্ৰব্যৰ মাধ্যমত দ্ৰব্য বিনিময় কৰি মানুহে নিজৰ অভাৱসমূহ পূৰণ কৰাৰ লগতে আনৰো অভাৱ পূৰণ কৰিছিল। এই বিনিময় প্ৰথাটোক পণ্য বিনিময় প্ৰথা বুলি কোৱা হয়।

এই পণ্য বিনিময় প্ৰথাত মানুহে বিশেষ কোনো অসুবিধা নোহোৱাকৈ তেওঁলোকৰ বিনিময় কাৰ্য সাধন



Scanned with CamScanner

কৰিছিল। মানুহবিলাক একেলগে ওচৰা-উচৰিকৈ বসবাস কৰিছিল। যিহেতু জনসংখ্যাৰ পৰিমাণ কম আছিল। লাহে লাহে যেতিয়া জনসংখ্যাৰ পৰিমাণ বৃদ্ধি পালে আৰু অভাৱৰ সংখ্যাও বাঢ়িল তেতিয়া মানুহে বাসস্থানৰ সন্ধানত দূৰ দূৰলৈ বিয়পি পৰিল। লগে লগে পণ্য বিনিময় প্ৰথাটো জটিল হৈ পৰিল। এই জটিলতাৰ অন্তৰালত পণ্য বিনিময় ব্যৱস্থাৰ কিছুমান অসুবিধাই গোটেই ব্যৱস্থাটোক অকামিলা কৰি তুলিলে। তলত পণ্য বিনিময় প্ৰথাৰ অসুবিধাসমূহ চমুকৈ আলোচনা কৰা হ'ল—

**১) অভাৱৰ সামঞ্জস্যহীনতা (Lack of Coincidence of wants) ঃ** পণ্য বিনিময় ব্যৱস্থাত বিনিময় কাৰ্য সমাধা হ'বলৈ হ'লে ব্যক্তি দুজনৰ মাজত অভাৱৰ সামঞ্জস্যতা থাকিব লাগিব। অৰ্থাৎ প্ৰথম ব্যক্তিয়ে বিচৰা বস্তুটো দ্বিতীয় ব্যক্তিয়ে দিব পাৰিব লাগিব আৰু দ্বিতীয় ব্যক্তিয়ে বিচৰা বস্তুটো প্ৰথম ব্যক্তিয়ে দিব পাৰিব লাগিব। তেতিয়াহে বিনিময় কাৰ্যটো সম্ভৱ হ'ব। কিন্তু বাস্তৱত তেনে সামঞ্জস্য বিচাৰি উলিওৱাটো এক কঠিন কাম। সেয়েহে লাহে লাহে এই প্ৰথাই এনে ধৰণৰ অসুবিধাৰ সৃষ্টি কৰিবলৈ ধৰিলে।

**২) অ-বিভাজ্যতা (Lack of Divisibility) ঃ** পণ্য বিনিময় প্ৰথাত বিনিময় সাধন কৰিবলৈ বিচৰা সকলোবোৰ দ্ৰব্য ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত বিভাজ্য কৰাটো অসুবিধা আছিল। যেনে— কোনো এটা জীৱক দুভাগ কৰি বিনিময় কৰাত অসুবিধা হৈছিল।

**৩) উমৈহতীয়া মাপকাঠীৰ অভাৱ (Lack of Standard unit of Account) ঃ** পণ্য বিনিময় প্ৰথাত বিনিময়যুক্ত দ্ৰব্যৰ বাবে কোনো উমৈহতীয়া মাপকাঠী নাছিল। এই ব্যৱস্থাত এটা দ্ৰব্যৰ বাবে আন দ্ৰব্যৰ কিমান অংশ বিনিময় হ'ব তাৰ কোনো জোখৰ হিচাপ নাছিল।

**৪) মূল্যৰ ভঁৰালৰ অভাৱ (No scope storing of value) ঃ** পণ্য বিনিময় প্ৰথাত বহুদিনলৈকে সাঁচি ৰখাৰ ব্যৱস্থা নাছিল। যিহেতু সামগ্ৰীসমূহৰ স্থায়িত্ব গুণ নাছিল, বেছিভাগ সামগ্ৰী ক্ষণস্থায়ী আছিল। গতিকে সঞ্চয়ৰ ধাৰণাটো পণ্য বিনিময় প্ৰথাত বিবেচনা হোৱা নাছিল।

**৫) কঢ়িওৱাত অসুবিধা (Problem of transport) ঃ** পণ্য বিনিময় প্ৰথাত যিহেতু দ্ৰব্যৰ সলনি দ্ৰব্য বিনিময় হৈছিল সেয়েহে বিনিময় কাৰ্য সিদ্ধ কৰিবলৈ ব্যক্তিয়ে এঠাইৰ পৰা আন ঠাইলৈ দ্ৰব্যসমূহ কঢ়িয়াই লৈ ফুৰিবলগীয়া হৈছিল। সেই সময়ত পৰিবহণ ব্যৱস্থাও ইমান সুচল নাছিল। গতিকে এই ব্যৱস্থাটোৱে অসুবিধাৰ সন্মুখীন হৈছিল।

**৬) ভৱিষ্যৎ লেনদেনৰ ক্ষেত্ৰত অসুবিধা (Lack of standard for Future Payments) ঃ** পণ্য বিনিময় প্ৰথাত ভৱিষ্যৎ লেনদেনৰ কাৰণে কোনো ব্যৱস্থা নাছিল। কিয়নো লেনদেনৰ সৈতে ঋণদান আৰু ঋণ পৰিশোধৰ ধাৰণাটো জড়িত। কিন্তু দ্ৰব্য সামগ্ৰীৰ মাধ্যমত ঋণদান আৰু ঋণ পৰিশোধৰ কাৰ্য সাধন দুজনৰ ভিতৰত এজনে লোকচান ভৰিবলগীয়া হয়।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে পণ্য বিনিময় ব্যৱস্থাটো এটা ভিত্তিহীন ব্যৱস্থা। যেতিয়া অৰ্থনীতিত জনসংখ্যাৰ হেঁচা নাছিল, সৰলভাৱে অৰ্থনীতিয়ে গতি লৈছিল তেতিয়া এই প্ৰথাৰ জৰিয়তে মানুহৰ অৰ্থনৈতিক কাম-কাজসমূহ পৰিচালিত হৈছিল। কিন্তু সাম্প্ৰতিক কালৰ জটিল অৰ্থনীতিত তেনে ব্যৱস্থাৰ কথা চিন্তা কৰাৰ কোনো ভিত্তি নাই তথা মানৱ জীৱনত এই প্ৰথাৰ কোনো উপযোগিতাও নাই।

পণ্য বিনিময় ব্যৱস্থাৰ এই অসুবিধাসমূহৰ বাবেই মুদ্ৰাৰ আৱিষ্কাৰ হ'ল। ইংৰাজীৰ 'Money' নামৰ শব্দটো



Scanned with CamScanner

লেটিন ভাষাৰ শব্দ 'Moneta'ৰ পৰা আহিছে। 'Moneta' হৈছে ৰোমানসকলৰ এগৰাকী দেৱী। এই দেৱীৰ মন্দিৰত মুদ্ৰা তৈয়াৰ কৰা হৈছিল।

মুদ্ৰাৰ ক্ৰমবিকাশ সম্পৰ্কে অধ্যয়ন কৰিলে দেখা যায় যে মুদ্ৰাৰ ক্ৰমবিকাশৰ ছটাকৈ স্তৰ আছে। মুদ্ৰা ব্যৱহাৰৰ প্ৰথমটো স্তৰত মানৱ সমাজে বিভিন্ন জীৱ-জন্তু যেনে— গৰু, ছাগলী আদিক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰিছিল। মুদ্ৰা ক্ৰমবিকাশৰ দ্বিতীয় স্তৰত মানৱ সমাজে বিভিন্ন ধাতু যেনে— সোণ, ৰূপ আৰু তামক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰিছিল। তৃতীয় স্তৰত মানৱ সমাজে বিভিন্ন ধাতুৰে তৈয়াৰী বিভিন্ন মূল্যৰ মুদ্ৰা ব্যৱহাৰ কৰিছিল। মুদ্ৰা ক্ৰমবিকাশৰ চতুৰ্থ আৰু পঞ্চম স্তৰত যথাক্ৰমে কাগজী নোট আৰু বেংক মুদ্ৰাৰ প্ৰচলন আৰম্ভ হয়। অৰ্থনীতিবিদসকলে মুদ্ৰা ক্ৰমবিকাশৰ ষষ্ঠ স্তৰটো চিনাক্ত কৰিছে। এই স্তৰত মানৱ সমাজে চেক মুদ্ৰাক বিহিত মুদ্ৰা হিচাপে ব্যৱহাৰ কৰিছে।

**মুদ্ৰাৰ সংজ্ঞা (Defination of Money) ঃ** বিভিন্ন অৰ্থনীতিবিদে বিভিন্ন ধৰণে মুদ্ৰাৰ সংজ্ঞা আগবঢ়াইছে।

**১। অৰ্থনীতিবিদ জি. ক্ৰাউথাৰৰ মতে (G. Corwther) ঃ** "বিনিময়ৰ মাধ্যম হিচাপে যিটো দ্ৰব্য সৰ্বজন গ্ৰহণীয়, মূল্যৰ জোখ আৰু মূল্যৰ ভঁৰাল হিচাপে কাম কৰে সেইটোৱেই হৈছে মুদ্ৰা।"

(Anything that is generally acceptable as a means of exchange and that at the same time acts as a measure and store of value.")

**২। অৰ্থনীতি ওৱাকাৰৰ মতে—** "মুদ্ৰাই যি কৰে সিয়েই মুদ্ৰা।" (Money is what money does)

**৩। আধুনিক অৰ্থনীতিবিদসকলৰ মতে—** মুদ্ৰাই আধুনিক অৰ্থনীতিত যিখিনি কাৰ্য সম্পাদন কৰে তাক প্ৰধানকৈ মুখ্য, গৌণ আৰু উপৰুৱা— এই তিনিটা ভাগত ভাগ কৰিব পাৰি।" (According to Modern economists "Money mainly acts as a primary, secondary and contingencies functions.")

**অৰ্থনীতিবিদ চেলিগমেনৰ মতে—** (Saligman) "মুদ্ৰা হ'ল সৰ্বজনগ্ৰহণযোগ্য সামগ্ৰী।" (Money such type goods that posses general acceptability)"

**অৰ্থনীতিবিদ G.D.H. Coleৰ মতে,** "মুদ্ৰাৰ চলনশীলতাই মুদ্ৰাৰ পৰিচয়।" (The essence of money is that it can be passed from one hand to another.)

**মুদ্ৰাৰ বৈশিষ্ট্য (Characteristics of Money) ঃ** বিভিন্ন সময়ত বিভিন্ন দ্ৰব্য বা সামগ্ৰিক মুদ্ৰা হিচাপে মানৱ সমাজে ব্যৱহাৰ কৰি আহিছে। কিন্তু সকলো দ্ৰব্য বা সামগ্ৰীক ভাল বা উৎকৃষ্ট মুদ্ৰা বুলি ক'ব পৰা নাযায়। কোনো দ্ৰব্য উৎকৃষ্ট মুদ্ৰা হ'বলৈ হ'লে ইয়াৰ কিছুমান নিজস্ব গুণ থাকিব লাগিব। তলত ভাল মুদ্ৰাৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল।

**১। সৰ্বজনগ্ৰহণযোগ্যতা (General acceptability) ঃ** যিটো দ্ৰব্য মুদ্ৰা বুলি ব্যৱহাৰ কৰা হয় তাৰ সৰ্বজনগ্ৰহণযোগ্যতা থাকিব লাগিব। অৰ্থাৎ, সকলোৱে তাক গ্ৰহণ কৰিব লাগিব। এই গ্ৰহণযোগ্যতা পৰম্পৰাগতভাৱে আৰু আইনগতভাৱে সাব্যস্ত হ'ব পাৰে।

**২। বহনযোগ্যতা (Portability) ঃ** মুদ্ৰা হিচাপে ব্যৱহৃত দ্ৰব্যটো এঠাইৰ পৰা আন ঠাইলৈ নিব পৰা গুণ থাকিব লাগে। সমাজ পৰিৱৰ্তনৰ লগে লগে বেপাৰ-বাণিজ্যৰ প্ৰসাৰতাও বৃদ্ধি পাইছে সেয়েহে বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাক এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিয়াত অসুবিধা নহয়।



Scanned with CamScanner

৩। **ৰিভাজ্যতা (Divisibility) :** মুদ্ৰা হিচাপে ব্যৱহৃত দ্ৰব্যৰ বিভাজ্যতা গুণটো থাকিব লাগিব। মুদ্ৰাৰ দ্বাৰা উচ্চ মূল্যৰ পৰা নিম্ন মূল্যৰ লেনদেনত সুচাৰুৰূপে ইয়াক ব্যৱহাৰ কৰিব পৰা যায়। কিয়নো মুদ্ৰা যি ধাতুৰে তৈয়াৰ কৰা হয়, উক্ত ধাতু বা দ্ৰব্য বিভাজ্য হ'লেও ইয়াৰ মূল্যৰ অৱনতি ঘটিব নোৱাৰে।

৪। **স্থায়িত্বতা (Durability) :** যিটো দ্ৰব্য বা ধাতু মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হয় তাৰ স্থায়িত্ব গুণটো থাকিব লাগিব। অৰ্থাৎ তেনে স্থায়িত্ব গুণটো থাকিলেহে ভৱিষ্যতলৈ ইয়াক সঞ্চয় কৰি ৰাখিব পাৰি। ই ক্ষণস্থায়ী বা ক্ষয়প্ৰাপ্ত হ'লে ইয়াক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰিব পৰা নাযাব।

৫। **একক গুণবিশিষ্টতা (Homogenity) :** যিটো দ্ৰব্য বা ধাতু মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হয় তাৰ একক গুণ থাকিব লাগিব। অৰ্থাৎ সমান মূল্যৰ মুদ্ৰাৰ লগত একে পৰিমাণৰ ধাতু ব্যৱহাৰ কৰিব লাগিব। অন্যথা সমমূল্যৰ মুদ্ৰাৰ বিভিন্ন গোটত বিভিন্ন ধাতু ব্যৱহাৰ কৰিলে সিহঁতৰ মাজত মূল্যৰ পাৰ্থক্য সৃষ্টি হ'ব। এনে অৱস্থাত জনসাধাৰণে সদায় মূল্যবান ধাতুৰে তৈয়াৰী মুদ্ৰা ব্যৱহাৰ কৰিব। ফলত অৰ্থনীতিত মুদ্ৰাৰ নাটনিয়ে দেখা দিব।

৬। **সহজ চিনাক্তকৰণ (Cognizability) :** যিটো দ্ৰব্য বা ধাতু মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হয় সেয়েহে সকলোৱে সহজে চিনি পাব লাগিব। তাৰ বাবে একে মূল্যৰ মুদ্ৰাবিলাক একে ধাতুৰে তৈয়াৰ কৰিব লাগে। যদি ভিন ভিন ধাতু একে মূল্যৰ মুদ্ৰাত ব্যৱহৃত হয় তেন্তে তেনে মুদ্ৰাক ভাল মুদ্ৰা হিচাপে স্বীকৃতি দিব নোৱাৰি। তদুপৰি মুদ্ৰাৰ আকাৰ, ৰং, গুণাগুণৰ ফালৰ পৰা একে মূল্যৰ মুদ্ৰা একে হ'ব লাগে যাতে জনসাধাৰণে দেখিলে সহজে চিনাক্তকৰণ কৰিব পাৰে।

৭। **মূল্যৰ সুস্থিৰতা (Stability of value) :** যিটো দ্ৰব্য বা ধাতু মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হয় তাৰ মূল্যৰ সুস্থিৰতা থাকিব লাগিব। মূল্যৰ সুস্থিৰতা গুণ নাথাকিলে জনসাধাৰণে তেনে মুদ্ৰাৰ প্ৰতি আস্থা হেৰুৱাই পেলাব। তেতিয়া অৰ্থনীতিত মুদ্ৰাৰ অন্যান্য কাৰ্যাৱলীসমূহ সুচাৰুৰূপে পৰিচালিত হ'ব নোৱাৰিব।

৮। **তাৰল্যতা (Liquidity) :** মুদ্ৰাৰ অন্যতম আৱশ্যকীয় গুণটো হ'ল ইয়াৰ তাৰল্যতা। অৰ্থাৎ মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা দ্ৰব্যটোৰ তাৰল্য গুণটো থাকিব লাগিব। এনে তৰলতা গুণ থকাৰ বাবে ইয়াক অন্য সম্পদ বা বিনিময়যোগ্য সামগ্ৰীলৈ ৰূপান্তৰিত কৰিব পাৰি। মুদ্ৰাৰ এই তাৰল্য গুণৰ বাবে মুদ্ৰাৰ প্ৰতি চাহিদাৰ সৃষ্টি হয়।

মুদ্ৰা হিচাপে ব্যৱহৃত দ্ৰব্য বা ধাতুত উপৰোক্ত গুণসমূহ থাকিলে তাক উৎকৃষ্ট বা ভাল মুদ্ৰা হিচাপে বিবেচনা কৰিব পৰা যায়। তদুপৰি বিশ্লেষণ কৰিলে দেখা যায় যে সোণ, ৰূপ আদি ধাতুৰে তৈয়াৰী মুদ্ৰাসমূহকহে উৎকৃষ্ট বুলি কোৱা হৈছে। যিহেতু এইবিলাক ধাতুৰ স্থায়িত্ব গুণ আছে। কিন্তু এনে ধাতুবিলাক দুষ্প্ৰাপ্য ধাতু হোৱাৰ কাৰণে বা বৰ্ধিত চাহিদাৰ হেতুকে বৰ্তমান পৃথিৱীৰ প্ৰায়বোৰ দেশেই সস্তীয়া আৰু সহজ বহনযোগ্য কাগজী নোটসমূহ ব্যৱহাৰ কৰিছে। কাগজী মুদ্ৰাক চৰকাৰে বিহিত মুদ্ৰা হিচাপে স্বীকৃতি দিছে আৰু উপৰোক্ত আটাইবোৰ গুণাৱলী কাগজী মুদ্ৰাত দেখা পোৱা যায়।

**মুদ্ৰাৰ শ্ৰেণী বিভাজন (Classification of Money) :** আধুনিক অৰ্থনীতিত মুদ্ৰাৰ ব্যৱহাৰ অপৰিহাৰ্য। মানুহে বিভিন্ন লেনদেন আৰু ভৱিষ্যৎ দেনা-পাওনাৰ ক্ষেত্ৰত ইয়াক বহুল ৰূপত ব্যৱহাৰ কৰিব পাৰে। মুদ্ৰাৰ বিভিন্ন শ্ৰেণীবিভাজন আছে। তলত ইয়াৰ ভাগসমূহ দিয়া হ'ল—



Scanned with CamScanner

(A) মুদ্ৰাৰ উৎসৰ ওপৰত ভিত্তি কৰি— (i) আভ্যন্তৰীণ মুদ্ৰা আৰু (ii) বাহ্যিক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হয়।

(B) মুদ্ৰা তৈয়াৰ কৰা বিভিন্ন বস্তু আৰু ধাতুৰ ওপৰত ভিত্তি কৰি—

(i) বস্তু মুদ্ৰা (ii) প্ৰতীক মুদ্ৰা

(iii) খুচুৰা মুদ্ৰা (iv) মান মুদ্ৰা

(v) ধাতু মুদ্ৰা

(C) মানৱ সমাজত ব্যৱহাৰ কৰা তৃতীয়বিধ মুদ্ৰা হৈছে—

(i) কাগজী মুদ্ৰা— এই কাগজী মুদ্ৰাক চাৰিটা ভাগত ভাগ কৰা হয়।

(i) প্ৰতিনিধিত্বমূলক কাগজী মুদ্ৰা

(ii) পৰিৱৰ্তনীয় কাগজী মুদ্ৰা

(iii) অপৰিৱৰ্তনীয় কাগজী মুদ্ৰা

(iv) আদেশ মুদ্ৰা

(D) প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি মুদ্ৰাক—

(i) প্ৰকৃত মুদ্ৰা (ii) হিচাপৰ মুদ্ৰা

এই দুটা ভাগত ভাগ কৰা হৈছে—

(E) বিধিৰ ওপৰত ভিত্তি কৰি মুদ্ৰাক—

(i) বিহিত মুদ্ৰা (ii) অবিহিত মুদ্ৰা

হিচাপে ভাগ কৰা হয়।

পুনৰ বিহিত মুদ্ৰাসমূহক—

(i) সসীম বিহিত মুদ্ৰা (ii) অসীম বিহিত মুদ্ৰা

হিচাপে ভাগ কৰা হয়।

তলত চমুকৈ প্ৰত্যেকৰে সংজ্ঞাসমূহ দিয়া হ'ল—

**i) আভ্যন্তৰীণ মুদ্ৰা (Inside money) ঃ** আভ্যন্তৰীণ মুদ্ৰাসমূহ হৈছে ঘৰুৱা মুদ্ৰা। ব্যৱসায়িক বেংকসমূহে ঋণৰ জৰিয়তে যি মুদ্ৰাৰ সৃষ্টি কৰে তাকে আভ্যন্তৰীণ মুদ্ৰা বোলে। উদাহৰণস্বৰূপে— ব্যৱসায়িক বেংকসমূহে বন্ধকী পত্ৰ ক্ৰয় কৰি মুদ্ৰা সৃষ্টি কৰিলে ই আভ্যন্তৰীণ মুদ্ৰাৰ অন্তৰ্ভুক্ত হয়।

**ii) বাহ্যিক মুদ্ৰা (Outside money) ঃ** চৰকাৰৰ দ্বাৰা প্ৰচলিত বৈদেশিক আৰু চৰকাৰী বন্ধকী পত্ৰৰ দ্বাৰা সৃষ্টি হোৱা মুদ্ৰাই হৈছে বাহ্যিক মুদ্ৰা। উদাহৰণস্বৰূপে— চৰকাৰে প্ৰচলন কৰা সোণৰ মুদ্ৰাসমূহ হৈছে বাহ্যিক মুদ্ৰা।

**iii) বস্তু মুদ্ৰা (Commodity money) ঃ** বিনিময় প্ৰথাত যিবোৰ বস্তু মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হৈছিল তাকে বস্তু মুদ্ৰা বোলা হৈছিল।

**iv) প্ৰতীক মুদ্ৰা (Token money) ঃ** যিবোৰ মুদ্ৰাৰ বাহ্যিক মূল্যটো অন্তৰ্নিহিত মূল্যতকৈ অধিক তাকে প্ৰতীক মুদ্ৰা বোলে। উদাহৰণস্বৰূপে— ভাৰতবৰ্ষত ব্যৱহাৰ কৰা কাগজী মুদ্ৰাবোৰে হৈছে প্ৰতীক মুদ্ৰা।



Scanned with CamScanner

**v) খুচুৰা মুদ্ৰা (Subsidiary money) ঃ** পাতল ধাতুৰে তৈয়াৰী আৰু খুচুৰা লেনদেনত ব্যৱহৃত মুদ্ৰাকে খুচুৰা মুদ্ৰা বুলি কোৱা হয়। ইয়াক সীমিত বিহিত মুদ্ৰা বুলিও কোৱা হয়। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত ব্যৱহাৰ কৰা ১, ২, ৫, ১০, ২৫ পইচা হ'ল খুচুৰা মুদ্ৰা।

**vi) ধাতু মুদ্ৰা (Metallic money) ঃ** যিবিলাক মুদ্ৰা ধাতুৰে তৈয়াৰী আৰু বিনিময় কাৰ্য সাধন কৰা হয় তাকে ধাতু মুদ্ৰা বোলে। উদাহৰণস্বৰূপে সোণ, ৰূপ, নিকেল আদিৰে তৈয়াৰী মুদ্ৰা।

**vii) মান মুদ্ৰা (Standard money) ঃ** যি ধাতু মুদ্ৰাৰ বাহ্যিক মূল্য আৰু আভ্যন্তৰীণ মূল্য সমান হয় তাকে মান মুদ্ৰা বোলে। উদাহৰণস্বৰূপে— ভাৰতবৰ্ষৰ মান মুদ্ৰা হ'ল এটকা মুদ্ৰা।

**viii) কাগজী মুদ্ৰা (Paper money) ঃ** এখন দেশৰ কেন্দ্ৰীয় বেংকৰ দ্বাৰা প্ৰচলন কৰা কাগজৰে তৈয়াৰী মুদ্ৰাসমূহক কাগজী মুদ্ৰা বোলে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত প্ৰচলন কৰা এটকীয়া নোটবোৰ চৰকাৰে ছপা কৰি উলিয়ায় আৰু বাকী নোটবোৰ ৰিজাৰ্ভ বেংকে ছপা কৰি উলিয়ায়।

**ix) প্ৰতিনিধিত্বমূলক কাগজী মুদ্ৰা (Representative Paper Money) ঃ** যিবোৰ কাগজী মুদ্ৰাৰ প্ৰচলনৰ বাবে সমান পৰিমাণৰ মূল্যৰ ধাতু যেনে— সোণ বা ৰূপ জমা কৰিব লাগে তাকে প্ৰতিনিধিত্বমূলক কাগজী মুদ্ৰা বোলে। উদাহৰণস্বৰূপে, ১০০ কোটি কাগজ মুদ্ৰা প্ৰচলনৰ কাৰণে ১০০ কোটি সমান সোণ-ৰূপ জমা কৰাকে ১০০ কোটি কাগজী মুদ্ৰাক প্ৰতিনিধিত্বমূলক কাগজী মুদ্ৰা বোলা হয়।

**x) পৰিৱৰ্তনীয় কাগজী মুদ্ৰা (Convertible Paper Money) ঃ** যিবিলাক কাগজী মুদ্ৰাৰ বিপৰীতে ধাতুৰ মুদ্ৰা দিয়া হয় তাকে পৰিৱৰ্তনীয় কাগজী মুদ্ৰা বোলে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত প্ৰচলন থকা এটকীয়া কাগজী মুদ্ৰাৰ বাহিৰে বাকীবোৰ কাগজী নোট পৰিৱৰ্তনীয় কাগজী নোট।

**xi) অপৰিৱৰ্তনীয় কাগজী মুদ্ৰা (Inconvertible Paper money) ঃ** যিবিলাক কাগজী মুদ্ৰাৰ বিপৰীতে ধাতুৰ মুদ্ৰা ৰূপান্তৰ কৰিব পৰা নাযায় তেনে কাগজী মুদ্ৰাকে অপৰিৱৰ্তনীয় কাগজী মুদ্ৰা বোলে। এনে কাগজী মুদ্ৰাৰ বিপৰীতে অন্য কোনো ধাতু মুদ্ৰা জমা নাথাকে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ ১ টকীয়া কাগজী নোট অপৰিৱৰ্তনীয় কাগজী নোট।

**xii) আদেশ মুদ্ৰা (Fiat money) ঃ** যিবিলাক মুদ্ৰা চৰকাৰৰ আদেশ অনুযায়ী প্ৰচলন হয় আৰু মানুহে গ্ৰহণ কৰে তাকে আদেশ মুদ্ৰা বোলে। কাগজী নোটবোৰ হৈছে আদেশ মুদ্ৰা। এইবোৰ নোটৰ নিজা মূল্য নাই। চৰকাৰৰ আদেশ থকা বাবে এনে মূল্য প্ৰচলন হয়। উদাহৰণস্বৰূপে প্ৰতীক মুদ্ৰা।

**xiii) প্ৰকৃত মুদ্ৰা (Actual money) ঃ** বিনিময়ৰ মাধ্যম হিচাপে যিবোৰ মুদ্ৰা ব্যৱহাৰ হয় আৰু বিভিন্ন লেনদেন কাৰ্য সম্পাদন কৰা হয় তাকে প্ৰকৃত মুদ্ৰা বোলে। প্ৰকৃত মুদ্ৰাৰ পৰিৱৰ্তন হয়। উদাহৰণস্বৰূপে— বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহৃত বিভিন্ন সময়ত চলা মুদ্ৰাসমূহ।

**xiv) হিচাপৰ মুদ্ৰা (Money of account) ঃ** যিবিলাক মুদ্ৰাৰ মাধ্যমত দেশৰ সকলোবোৰ অৰ্থনৈতিক কাৰ্যকলাপ, লেনদেন সম্পাদন কৰা হয় বা দ্ৰব্য সামগ্ৰীৰ দৰ নিৰ্ধাৰণ কৰা হয় তাকে হিচাপৰ মুদ্ৰা বোলে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত হিচাপৰ মুদ্ৰা হৈছে টকা, আমেৰিকাত হিচাপৰ মুদ্ৰা হৈছে ডলাৰ।

**xv) বিহিত মুদ্ৰা (Legal Tender money) ঃ** যি মুদ্ৰাৰ গ্ৰহণযোগ্যতা আৰু ব্যৱহাৰ চৰকাৰৰ আইনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু তাক সকলোৱে গ্ৰহণ কৰে, তেনে মুদ্ৰাক বিহিত মুদ্ৰা বোলে। বিহিত মুদ্ৰা গ্ৰহণ



Scanned with CamScanner

নকৰিলে আইন মতে দণ্ডনীয় হ'ব। উদাহৰণস্বৰূপে চৰকাৰ নাইবা কেন্দ্ৰীয় বেংকে প্ৰচলন নাইবা কেন্দ্ৰীয় বেংকে প্ৰচলন কৰা মুদ্ৰা আৰু কাগজ নোটসমূহ বিহিত মুদ্ৰা।

**xvi) অবিহিত মুদ্ৰা (Non legal tender money) ঃ** যিবিলাক মুদ্ৰাৰ গ্ৰহণযোগ্যতা আইনগতভাৱে বাধ্যতামূলক নহয় তাক অবিহিত মুদ্ৰা বোলে। উদাহৰণস্বৰূপে, চেক বিহিত মুদ্ৰা নহয়, ইয়াক গ্ৰহণ কৰিবলৈ চৰকাৰে বাধ্য কৰাব নোৱাৰে।

**xvii) সসীম বিহিত মুদ্ৰা (Limited legal tender money) ঃ** যি বিহিত মুদ্ৰাৰ মাধ্যমত সীমিত মূল্যৰ লেনদেনহে সম্পাদন হয় তাকে সসীম বিহিত মুদ্ৰা বোলে। উদাহৰণস্বৰূপে কম মূল্যৰ মুদ্ৰাসমূহ সসীম বিহিত মুদ্ৰা।

**xviii) অসীম বিহিত মুদ্ৰা (Unlimited legal tender money) ঃ** যি বিহিত মুদ্ৰাৰ মাধ্যমত অসীম মূল্যৰ লেনদেন কাৰ্য সম্পাদন হয়, তাকে অসীম বিহিত মুদ্ৰা বুলি কোৱা হয়। উদাহৰণস্বৰূপে ১,০০০ টকীয়া কাগজী নোট।

ইয়াৰ বাহিৰেও আমি মুদ্ৰাৰ অন্যান্য ভাগসমূহ দেখিবলৈ পাওঁ।

আমানত মুদ্ৰা (Deposit money) বেংকে যি মুদ্ৰা সৃষ্টি কৰে তাকে আমানত মুদ্ৰা বোলে।

**চেক মুদ্ৰা (Cheque money) ঃ** চেক আমানত মুদ্ৰাৰ পৰা সৃষ্টি হয়। কিন্তু ই বিহিত মুদ্ৰা নহয়, ই মাথোন মুদ্ৰাৰ ওপৰত কৰা দাবীহে। চেকৰ গ্ৰহণযোগ্যতা বাধ্যতামূলক নহয়। কিন্তু তৎকালীনভাৱে চেকক মুদ্ৰালৈ পৰিণত কৰিব পাৰি। সেয়েহে ইয়াক প্ৰায় মুদ্ৰা (Near money) বুলিও কোৱা হয়। উন্নত দেশত চেকৰ ব্যৱহাৰ অনুন্নত বা উন্নয়নশীল দেশতকৈ বহুত বেছি।

**ক'লা মুদ্ৰা (Black money) ঃ** অৰ্থনৈতিক অপৰাধৰ বাবে যিবিলাক মুদ্ৰাৰ সৃষ্টি হয়, তেনে মুদ্ৰাক ক'লা মুদ্ৰা বোলে। ক'লা মুদ্ৰা হৈছে এক হিচাপ-বহিৰ্ভূত মুদ্ৰা। অৰ্থনীতিত কৰ ফাঁকি, ক'লা ব্যৱসায়, মুদ্ৰাস্ফীতি আদিৰ কাৰণে ক'লা মুদ্ৰাৰ সৃষ্টি হয়।

**তপত মুদ্ৰা (Hot money) ঃ** যেতিয়া দেশ এখনৰ বাবে মুদ্ৰাৰ বৈদেশিক বিনিময় হাৰৰ সঘনে উঠা-নমা কৰে তেতিয়া দেশখনৰ পৰা প্ৰায়ে মুদ্ৰাৰ বহিৰ্গমন হয়, তেনেস্থলত দেশখনত হ্ৰস্বকালীন অৱস্থাত যি মুদ্ৰাৰ সৃষ্টি হয় তাক তপত মুদ্ৰা বোলে।

**সংকুচিত মুদ্ৰা (Tight money) ঃ** অৰ্থনীতিত মুদ্ৰাস্ফীতিৰ সময়ত যেতিয়া সুদৰ হাৰ বৃদ্ধি কৰা হয় তেতিয়া বিনিয়োগৰ পৰিমাণ হ্ৰাস পায় আৰু তাৰ ফলত মুদ্ৰাৰ যোগান কম হয় তাকে সংকুচিত মুদ্ৰা বোলে। তেনে পৰিস্থিতিত অৰ্থনীতিত মুঠ চাহিদাৰ পৰিমাণ হ্ৰাস পায়।

**সুলভ মুদ্ৰা (Cheap money) ঃ** অৰ্থনীতিত মুদ্ৰা অৱস্ফীতিৰ সময়ত সুদৰ হাৰ হ্ৰাস পায় আৰু বিনিয়োগৰ পৰিমাণ বৃদ্ধিৰ লগে লগে অৰ্থনীতিত মুদ্ৰাৰ যোগানো হ্ৰাস পায়। তেনে পৰিস্থিতিত অৰ্থনীতিত সুলভ মুদ্ৰাৰ সৃষ্টি হয়। এনে অৱস্থাত অৰ্থনীতিত মুঠ চাহিদাৰ পৰিমাণ বৃদ্ধি পায়।

**উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা (High Powered money) ঃ** কেন্দ্ৰীয় কৰ্তৃপক্ষ বা ৰিজাৰ্ভ বেংকে যি মুদ্ৰা সৃষ্টি কৰে আৰু সেইবিলাকক প্ৰত্যক্ষভাৱে নিয়ন্ত্ৰণ কৰে, সেই অংশটোৱেই হৈছে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা। অৰ্থনীতিত প্ৰচলিত থকা কাগজী মুদ্ৰা, ব্যৱসায় বেংকসমূহৰ সংৰক্ষিত মুদ্ৰা আদি উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা।



Scanned with CamScanner